# সমকালীন অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি

সম্পাদনা

যুগল চন্দ্ৰ সোনোৱাল
বিজুমণি দত্ত

ISBN- 978-81-92955-64-3

# সাম্প্ৰতিক প্ৰেক্ষাপটত অসমৰ পৰিৱেশ্য কলা ঃ এটি চমু আলোচনা

সবিতা শইকীয়া

'গীতেৱাদ্যে চ নিপুনা সা কামৰূপা কামিনী'

প্ৰাচীন কালৰে পৰা অসম (কামৰূপ) সংগীত শিল্পৰে সমৃদ্ধ এখন চহকী ৰাজ্য। এই সংগীতৰ পৰিধি অতি বিশাল আৰু ব্যাপক। অসমৰ সাংস্কৃতিক বুৰঞ্জী অধ্যয়ন কৰিলে দেখিবলৈ পোৱা অন্যতম এবিধ কলা হ'ল পৰিৱেশ্য কলা (Performing art form)। ড° নবীন চন্দ্ৰ শৰ্মাৰ মতে "নিৰ্বাহিকা সকলে যি কলা ৰূপৰ পৰম্পৰাগত সাংগীতিক বা অভিনায়িক বৈশিষ্ট্যৰাজি সম্পূৰ্ণভাৱে অক্ষত ৰূপত পৰিৱেশন কৰে সেই কলাৰূপক পৰিৱেশ্য কলা আখ্যা দিয়া হয়।"

প্ৰকৃতপক্ষে অভিনয় জড়িত থকা সংগীত কলা সমূহকে পৰিৱেশ্য কলা বুলিব পাৰি। পৰিৱেশ্য কলাই নিৰ্দিষ্ট ৰূপৰ মাজেদি কথিত বা লিখিত কলাক চাক্ষুস ৰূপ দিয়ে। মানুহৰ নান্দনিক অনুভূতিৰ সঞ্চাৰণ ঘটোৱা পৰিৱেশ্য কলা চৌষষ্ঠি বিধ কলাৰ চাৰু কলাৰ অন্তৰ্গত।

মানৱ জীৱন সভ্যতা আৰু সংস্কৃতিৰে পৰিপূৰ্ণ। সভ্যতাই যেনেকৈ মানুহৰ বাহ্যিক জীৱনক বাস্তৱায়িত কৰে ঠিক সেইদৰে অন্তৰ্জীৱনক সংস্কৃতিয়ে কৰে। সেয়েহে মানুহে যুগে যুগে কলাৰ সাধনা কৰি আহিছে। একে কাৰণতে মানুহে আহাৰ, নিদ্ৰা, ভয় আৰু জান্তৱ প্ৰবৃত্তিকো পৰিশীলিত ৰূপত প্ৰকাশ কৰিব পাৰে।

বৰ্তমান সময়ত গোলকীকৰণ বা বিশ্বায়নৰ প্ৰভাৱে মানুহক সকলো বিষয়ৰ লগতে সহজে চিনাকি হ'বলৈ বাট কাটি দিছে। তেনে পৰিপ্ৰেক্ষিতত আমি অসমৰ পৰিৱেস্য কলাসমূহকো বিশ্বদৰবাৰত চিনাকি কৰাৰ মানস কৰিব পাৰোঁ। বিশ্বায়নৰ প্ৰেক্ষাপটত মানৱ সমাজলৈ দুই ধৰণৰ প্ৰভাৱ আৰু পৰিৱৰ্তন আহে। তাৰে এবিধ ইতিবাচক আনবিধ